Total No. of Printed Pages—7

**HS/XII/A. Sc. Com/A/20**

**2020**

**ASSAMESE**

**( Modern Indian Language )**

*Full Marks* : 100

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

*General Instructions* :

(i) Write all the answers in the Answer Script.

(ii) Attempt Part—A (Objective Questions) serially.

(iii) Attempt all parts of a question together at one place.

( PART : A—OBJECTIVE )

( *Marks* : 50 )

SECTION—I

( *Marks* : 20 )

১। তলৰ প্ৰশ্নকেইটাৰ উত্তৰ পোনপটীয়াকৈ উত্তৰ-বহীত লিখা (প্ৰতিটো প্ৰশ্নৰ উত্তৰ **এটা** বা **দুটা** শব্দেৰে) : ১×১০=১০

(ক) 'সাহিত্য আৰু প্ৰেম' পুথিখনৰ ৰচক কোন?

(খ) ডান্টেৰ প্ৰেয়সীৰ নাম কি?

(গ) 'সাহিত্য' শীৰ্ষক পাঠটো কোনখন গ্ৰন্থৰ পৰা লোৱা হৈছে?

(ঘ) সত্যভামা কোন?

(ঙ) ভদ্ৰতৰ শিলাক শকটে আনাগই—ইয়াত 'ভদ্ৰতৰ শিলা' মানে কি?

(চ) সাহিত্য অকাডেমী বঁটা লাভ কৰা প্ৰথম অসমীয়া লেখিকাগৰাকী কোন?

(ছ) 'কামসেন্দুৰ' নামৰ কবিতা-পুথিখন কোনে ৰচনা কৰিছিল?

(জ) 'চিৰাজ' নাটকৰ নায়ক কোন?

(ঝ) 'বুভুক্ষা' মানে কি?

(ঞ) 'দলঙত তামীঘৰা' গ্ৰন্থখন কাৰ ৰচনা?

২। শুদ্ধ নে অশুদ্ধ লিখা (কেৱল শুদ্ধ বা অশুদ্ধ বুলি উত্তৰ-বহীত লিখা) : ১×৫=৫

(ক) 'উৰেষা বৰ্ণন' 'কীৰ্তন-ঘোষা'ৰ অন্তৰ্গত।

(খ) সত্যনাথ বৰাদেৱ 'পঞ্চপুষ্প' গ্ৰন্থখনৰ ৰচক।

(গ) 'কুকুৰ' কবিতাটো 'অচিনা' নামৰ কাব্য-পুথিৰ পৰা অনা হৈছে।

(ঘ) 'চিৰাজ' এখন সামাজিক নাটক।

(ঙ) 'বৰ্ণবোধ' গল্পৰ নায়িকা জয়ন্তী এজনী কলেজীয়া ছাত্ৰী।

৩। পাঠ্যপুথিত থকাৰ দৰে উপযুক্ত শব্দৰে খালী ঠাই পূৰণ কৰি সম্পূৰ্ণ বাক্যশাৰী উত্তৰ-বহীত লিখা : ১×৫=৫

(ক) তেওঁৰ মনত বিয়েট্ৰীছ _____, চিৰসৌন্দৰ্যময়ী।

(খ) _____ তাড়নাত সিহঁতে পাহৰি যায় 'অহিংসা পৰম ধৰ্ম'।

(গ) মই তোক _____ কওঁনে জয়ন্তী।

(ঘ) মাহীদেউ নহয়, মাহীদেউ নহয় _____ মা।

(ঙ) জীৱন সপোন স্মৃতি, দিঠকৰ _____।

## SECTION—II

( *Marks* : 30 )

৪। তলৰ যি কোনো **দহটা** প্ৰশ্নৰ উত্তৰ উত্তৰ-বহীত লিখা (প্ৰতিটো উত্তৰ **তিনিৰ** পৰা **ছয়** শাৰীৰ ভিতৰত) : ৩×১০=৩০

(ক) মহাকবি ডান্টেৰ জন্ম ক'ত আৰু কিমান খ্ৰীষ্টাব্দত হৈছিল? তেওঁৰ মহাকাব্যখনৰ নাম কি? ৩

(খ) প্ৰাক্-শংকৰী যুগৰ সাহিত্যত নাৰদৰ প্ৰকৃতি কেনে আছিল? ৩

(গ) সহজিয়া সম্প্ৰদায় মানে কি? চমুকৈ লিখা। ৩

(ঘ) বেদ কেইখন? পঞ্চমবেদ মানে কি? ১+২=৩

(ঙ) সাহিত্য মানে কি? ৩

(চ) ৰমা কোন? তাই কিয় পঢ়া এৰিবলগীয়া হৈছিল? ৰমাই কেতিয়া জয়ন্তীক ক, খ লিখিবলৈ শিকাইছিল? ১+১+১=৩

(ছ) 'চিৰাজ' কোন শ্ৰেণীৰ নাটক? নাটকখনৰ দুটা পুৰুষ চৰিত্ৰৰ নাম লিখা। ১+১+১=৩

(জ) ইন্দ্ৰদ্যুম্ন ৰজাই কলিংগপতিক বিন্ধ্য পৰ্বতলৈ কাক লৈ, কিয় যাবলৈ দিছিল? ৩

(ঝ) কবি নলিনীবালা দেৱীৰ তিনিখন কাব্যগ্ৰন্থৰ নাম লিখা। ৩

(ঞ) "এটা ভুল কৰি তাক ঢাকিবলৈ গৈ ভুলৰ ওপৰত ভুল কৰিছো।" এই কথাষাৰ কোনে, কাক, কেতিয়া কৈছিল? ১+১+১=৩

(ট) কন্দৰ্পই সাবিত্ৰীক কিয় বিয়া কৰাব নোৱাৰিলে? ৩

(ঠ) "দুয়ো দলৰ নাম কুকুৰ।" ইয়াত কবিয়ে কোন দুদল কুকুৰৰ কথা কৈছে? ১½+১½=৩

(ড) আঘোণা কোন? তেওঁৰ দুটা চাৰিত্ৰিক বৈশিষ্ট্য লিখা। ১+২=৩

(ঢ) 'উভতি নহাৰ কবিতা'ৰ কবি কোন? কবিৰ কোনখন কাব্যসংকলনৰ পৰা কবিতাটি লোৱা হৈছে? তেওঁৰ ৰচিত যি কোনো এখন উপন্যাসৰ নাম লিখা। ১+১+১=৩

(ণ) "কি কৰিবা আৰু! মহাৰাজক লওঁতে লওঁতে গাৰ বিষ উঠি গৈছে।" ইয়াত 'মহাৰাজ' বুলি কাক, কোনে, কাৰ আগত কৈছে? ১+১+১=৩

## ( PART : B—DESCRITIVE )

( *Marks* : 50 )

৫। তলৰ যি কোনো **এটা** প্ৰশ্নৰ উত্তৰ লিখা : ৭

(ক) অহৈতুকী প্ৰীতি কি? ডান্টেৰ ইচ্ছা আৰু বাসনাক কেনেধৰণৰ প্ৰেমৰ তাড়নাই নিয়ন্ত্ৰিত কৰিছিল?

(খ) ''জগতৰ ক্ৰান্তিবোৰৰ মূলতে আছিল সাহিত্য।'' কথাষাৰ বিশ্লেষণ কৰা।

(গ) 'বৰ্ণবোধ' গল্পৰ মাজেৰে প্ৰকাশ পোৱা বৰ্ণবোধৰ তাৎপৰ্য তোমাৰ ভাষাৰে লিখা।

৬। তলৰ যি কোনো **এটা** প্ৰশ্নৰ উত্তৰ লিখা : ৭

(ক) পৃথিৱীৰ প্ৰতি কবিৰ অন্তৰৰ ভালপোৱা কেনেদৰে প্ৰকাশ পাইছে, 'উভতি নহাৰ কবিতা'ৰ জৰিয়তে বৰ্ণনা কৰা।

(খ) 'নাটঘৰ' কবিতাটোৰ মূলভাব লিখা।

(গ) 'কুকুৰ' কবিতাটোত অসমীয়া প্ৰগতিবাদী কবিতাৰ ধাৰা কিদৰে প্ৰকাশ পাইছে, আলোচনা কৰা।

৭। তলৰ যি কোনো **এটা** প্ৰশ্নৰ উত্তৰ লিখা : ৬

(ক) ''মানুহেহে সমাজ গঢ়ে, সমাজে মানুহ নগঢ়ে।'' কথাষাৰ কোনে, কাক কৈছে? কি প্ৰসংগত কথাষাৰ কোৱা হৈছে, আলোচনা কৰা। ১+১+৪=৬

(খ) 'চিৰাজ' নাটকত থকা নাৰী চৰিত্ৰকেইটাৰ নাম উল্লেখ কৰি তাৰে দুটা নাৰী চৰিত্ৰৰ চমু পৰিচয় আগবঢ়োৱা। ২+২+২=৬

(গ) 'চিৰাজ' নাটকত মানৱতাৰ আদৰ্শ কিদৰে প্ৰতিফলিত হৈছে, চমুকৈ আলোচনা কৰা। ৬

**( ব্যাকৰণ ভাগ )**

৮। এটা শব্দত প্ৰকাশ কৰা (যি কোনো **চাৰিটা**) : ১×৪=৪

(ক) খাবলৈ অনা কলপুলি

(খ) যাক বৰ্ণনা কৰিব নোৱাৰি

(গ) গৰু বন্ধা ঘৰ

(ঘ) যি কষ্ট সহিব পাৰে

(ঙ) নেজ নসৰা বেঙৰ পোৱালী

(চ) যাৰ দুয়োখন হাত সমানে চলে

(ছ) বৰ ৰঙীয়াল বা ধেমেলীয়া তিৰোতা

৯। তলৰ যি কোনো **এছোৱাৰ** ভাব-সম্প্ৰসাৰণ কৰা : ৪

(ক) টেঙা আম এবাৰহে বেচিব পাৰি।

(খ) তুলসীৰ লগত কলপটুৱাৰ মুক্তি।

(গ) হৰিণাৰ মাংসই বৈৰী।

১০। তলৰ খণ্ডবাক্যকেইটাৰে অৰ্থপূৰ্ণ বাক্য-ৰচনা কৰা (যি কোনো **তিনিটা**) : ১×৩=৩

বগলী ভকত ; জাকত জিলিকা ; ডলাৰ বগৰী ; আকাশত চাং পতা ; হাত-দীঘল।

১১। তলৰ শব্দকেইটাৰ প্ৰত্যয় ভাঙি দেখুওৱা (যি কোনো **চাৰিটা**) : ১×৪=৪

ধাননি ; ৰোৱণী ; গাঁৱলীয়া ; পঘেকীয়া ; ফুলাম ; খেতিয়ক ; মৰমীয়াল।

১২। বিভক্তি কাক বোলে? ই কেইপ্ৰকাৰৰ আৰু কি কি? প্ৰত্যেকৰে একোটাকৈ উদাহৰণ দিয়া। ২+৩=৫

১৩। তলৰ যি কোনো **এটা** বিষয়ৰ এখন ৰচনা লিখা : ১০

(ক) তোমাৰ প্ৰিয় গ্ৰন্থ

(খ) মেঘালয়ৰ পৰ্যটন ক্ষেত্ৰসমূহ

(গ) বিজ্ঞান আৰু আধুনিক সমাজ

(ঘ) ইন্টাৰনেট আৰু যুৱসমাজ

★ ★ ★